# হাট – বজাৰ

**প্ৰশ্ন ১। চমু উত্তৰ দিয়া –**

**( ক ) বজাৰ ব্যৱস্থাত উৎপাদন আৰু উপভোক্তা বুলিলে কি বুজা ?**

**উত্তৰঃ** বজাৰ ব্যৱস্থাত যিয়ে ধনৰ বিনিময়ত বস্তু উপভোগ কৰে তেওঁক উপভোক্তা বা গ্ৰাহক আৰু বস্তু বেচোতাজনক বিক্ৰেতা বা উৎপাদক বুলি জনা যায় ।

**( খ ) ‘ হাট ’ আৰু বজাৰৰ মাজত পাৰ্থক্য কি ?**

**উত্তৰঃ** বস্তু বেচা – কিনা কৰা বহু দোকান একেলগে স্থায়ীভাৱে থকা ঠাইক ‘ বজাৰ ’ বোলে । আনহাতে , নিৰ্ধাৰিত দিন বা বাৰত বস্তু বেচা- কিনাৰ বাবে য’ত বহু মানুহৰ সমাগম হয় তাক ‘ হাট ’ বোলে ।

**( গ ) খুচুৰা বজাৰ আৰু পাইকাৰী বজাৰৰ মাজত পাৰ্থক্য কি ?**

**উত্তৰঃ** খুচুৰা বজাৰ আৰু পাইকাৰী বজাৰৰ মাজত পাৰ্থক্য হৈছে—

( ১ ) পাইকাৰী বজাৰত ব্যৱসায়ীসকলে বেছি মূলধন খটুৱাব লাগে , কিন্তু খুচুৰা ব্যৱসায়ীসকলে কম মূলধনেৰে ব্যৱসায় কৰে ।

( ২ ) পাইকাৰী ব্যৱসায়ীয়ে বস্তু বিক্ৰী কৰে খুচুৰা ব্যৱসায়ীৰ ওচৰত , খুচুৰা ব্যৱসায়ীয়ে বস্তু বিক্ৰী কৰে সাধাৰণ গ্ৰাহকৰ ওচৰত ।

( ৩ ) পাইকাৰী ব্যৱসায়ীয়ে উৎপাদকৰ পৰা পোনে পোনে বস্তু সংগ্ৰহ কৰে , কিন্তু খুচুৰা ব্যৱসায়ীয়ে বস্তু সংগ্ৰহ কৰে পাইকাৰী ব্যৱসায়ীৰ পৰা ।

**( ঘ ) শীতল ভঁৰাল খেতিয়কসকলৰ কি কামত আহে ?**

**উত্তৰঃ** খেতিয়কসকলে উৎপাদন কৰা শাক – পাচলি , ফল – মূল আদি বস্তুবোৰ বেছি দিন ৰাখিলে নষ্ট হৈ যায় । ফলত তেওঁলোকে এনেকুৱা বস্তুবোৰ কেতিয়াবা কম দামত বিক্ৰী কৰিবলৈ বাধ্য হয় । শীতল ভঁৰালত কিন্তু এনেকুৱা বস্তুবোৰ বহুদিনলৈ ভালে থাকে । গতিকে খেতিয়কসকলে সোনকালে নষ্ট হোৱা বস্তুবোৰ কম দামতে বিক্ৰী নকৰি শীতল ভঁৰালত জমা কৰি ৰাখিলে ভৱিষ্যতে উচিত মূল্যত বিক্ৰী কৰাৰ সুবিধা পায় ।

**( ঙ ) হাট – বজাৰৰ মূল উদ্দেশ্য কি ?**

**উত্তৰঃ** হাট – বজাৰৰ মল উদ্দেশ্য হল— উৎপাদকসকলে সঠিক মূল্য পাব লাগে । আৰু গ্ৰাহকসকলেও উচিত মূল্যত সামগ্ৰী কিনিবলৈ পাব লাগে ।

**( চ ) বিনিময় প্ৰথা কি ?**

**উত্তৰঃ** বস্তুৰ সলনি বস্তু দিয়া – লাোৱা প্ৰথাটোক বিনিময় প্ৰথা বাোলে । এই প্ৰথাত মুদ্ৰাৰ ব্যৱহাৰ নহয় ।

**( ছ ) খেতিয়কসকলে শাক – পাচলি আৰু ফলমূল বেছি দিনলৈ ৰাখি থ’ব নাোৱাৰে কিয় ?**

**উত্তৰঃ** শাক – পাচলি , ফল – মূল আদি সাোনকালে নষ্ট হৈ যাোৱা বস্তু । সেইবাবেই খেতিয়কসকলে এনেকুৱা বস্তুবাোৰ বেছি দিনলৈ ৰাখি থ’ব নাোৱাৰে।

**( জ ) হাটখাোলা কাক বাোলে ?**

**উত্তৰঃ** হাট বহা ঠাই টুকুৰাক হাটখাোলা বাোলে ।

**( ঝ ) বেপাৰী আৰু গ্ৰাহকৰ মাজত পাৰ্থক্য কি ?**

**উত্তৰঃ** বেপাৰীয়ে বজাৰত বস্তু বিক্ৰী কৰে আৰু গ্ৰাহকে বস্তু ক্ৰয় কৰে । গতিকে বেপাৰী আৰু গ্ৰাহকৰ মাজত পাৰ্থক্য হৈছে — এজন বিক্ৰেতা আৰু আনজন ক্ৰেতা ।

**প্ৰশ্ন ২। খালী ঠাই পূৰণ কৰা –**

( ক ) হাট হ’ল এক প্ৰকাৰৰ ………………বজাৰ ।

**উত্তৰঃ** হাট হ’ল এক প্ৰকাৰৰ অস্থায়ী বজাৰ ।

( খ ) বজাৰ হ’ল বেচা – কিনাৰ ……………..কেন্দ্ৰ ।

**উত্তৰঃ** বজাৰ হ’ল বেচা – কিনাৰ স্থায়ী কেন্দ্ৰ ।

( গ ) বেচোঁতাসকলে হাটখাোলা সমিতিক বা বজাৰ সমিতিক…………….আদায় দিব লাগে ।

**উত্তৰঃ** বেচোঁতাসকলে হাটখাোলা সমিতিক বা বজাৰ সমিতিক কৰ আদায় দিব লাগে ।

( ঘ ) হাট বহা বাৰটো …………….।

**উত্তৰঃ** হাট বহা বাৰটো নিৰ্দিষ্ট ।

( ঙ ) ……………. ব্যৱসায়ীসকলে উৎপাদকসকলৰ পৰা সৰহীয়াকৈ বস্তু কিনি লয় আৰু সেই বস্তুবাোৰ ………………….ৰাখে ।

**উত্তৰঃ** পাইকাৰী ব্যৱসায়ীসকলে উৎপাদকসকলৰ পৰা সৰহীয়াকৈ বস্তু কিনি লয় আৰু সেই বস্তুবাোৰ গুদামত জমা কৰি ৰাখে ।

**প্ৰশ্ন ৩। পষেকীয়া হাট , সাপ্তাহিক হাট আৰু অৰ্ধ – সাপ্তাহিক হাট কাক বোলে ?**

**উত্তৰঃ** পষেকত এদিন বহা হাটক পষেকীয়া হাট , সপ্তাহত এদিন বহা হাটক সাপ্তাহিক হাট আৰু দুদিনত বহা হাটক অৰ্ধসাপ্তাহিক হাট বাোলে ।

**প্ৰশ্ন ৪। শ্বপিং মল সম্পৰ্কে চমুকৈ লিখা ।**

**উত্তৰঃ** শপিং মল হ'ল ডাঙৰ ব্যৱসায়ীয়ে দিয়া বৃহৎ দোকান । আজি-কালি ডাঙৰ ডাঙৰ চহৰবাোৰত এনেকুৱা শ্বপিং মলবাোৰ গঢ়ি উঠিছে । এই শ্বপিং মলবাোৰত অত্যাধুনিক সা – সুবিধা থাকে আৰু একেখন দোকানতে লাগতীয়াল বস্তু , বিলাসী সামগ্ৰী আদি কিনিবলৈ পাোৱা যায় । শ্বপিং মলবাোৰত বস্তুৰ দৰ – দাম খেলাোৱাৰ সুবিধা নাথাকে । ইয়াৰ সকলাো বস্তুৰে নিৰ্দিষ্ট মূল্য নিৰ্ধাৰণ কৰা থাকে ।